## অসম-পশ্চিমবংগৰ চাহ বাগিচাত হাতী-মানুহৰ সংঘাত

# কলকাতাত আই টি এৰ উদ্যোগত বৈঠক

**গুৱাহাটী ঃ** অসম তথা পশ্চিমবংগৰ চাহ বাগিচাসমূহত হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ উদ্দেশ্যে অলপতে ভাৰতীয় চাহ সংস্থা (আই টি এ)ৰ উদ্যোগত কলকাতাত এখন বৈঠক অনুষ্ঠিত হয়। আই টি এৰ সদস্য তথা এ পি জে চাহৰ অধ্যক্ষ কৰণ পলৰ উদ্যোগত অনুষ্ঠিত এই বৈঠকত ডব্লিউ ডব্লিউ এফৰ সহযোগিতাত যোৱা তিনি বছৰত চাহ বাগিচাসমূহত হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত কেইবাটাও চাহ প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

